**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 07-05-2026
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***

:::::::::::::::::::::::::::::::::::::::::::::

১। অপাৰেচন সিন্দূৰৰ প্ৰথম বৰ্ষপূৰ্তি উপলক্ষে আজি বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী ড০ এছ্ জয়শংকৰে কয়, যে এবছৰ পূৰ্বে সীমান্তৰ সীপাৰৰ পৰা পাকিস্তানে চলোৱা সন্ত্ৰাসবাদী কাৰ্যকলাপ ভাৰতে প্ৰতিহত কৰিছিল।

২। ভাৰত আৰু ফ্ৰান্সে আজি বিজ্ঞান, প্ৰযুক্তি আৰু মহাকাশ খণ্ডত দ্বিপাক্ষিক সহযোগিতা বৃদ্ধিৰ বাবে পৰ্যালোচনা কৰে।

৩। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয়, যে ভাৰতে ভাগ-বতৰা কৰা জলসীমাত দ্ৰুত সংকটকালীন সাহায্য আৰু সুৰক্ষাৰ নিশ্চয়তা প্ৰদান কৰিছে।

৪। বিধানসভাৰ নিৰ্বাচনৰ ফলাফল ঘোষণাৰ পাছত তামিলনাডুত একক সংখ্যাগৰিষ্ঠ দলৰ নেতা টি ভি কে যোচেফ বিজয়ে আজি লোক ভৱনত ৰাজ্যপালক সাক্ষাৎ কৰে। ***আৰু***

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ্ ৰয়েল ছেলেঞ্জাৰ্ছ বাংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

অপাৰেচন সিন্দূৰৰ প্ৰথম বৰ্ষপূৰ্তি উপলক্ষে আজি বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী ড০ এছ্ জয়শংকৰে কয়, যে এবছৰ পূৰ্বে সীমান্তৰ সীপাৰৰ পৰা পাকিস্তানে চলোৱা সন্ত্ৰাসবাদী কাৰ্যকলাপ ভাৰতে অপাৰেচন সিন্দূৰৰ জৰিয়তে প্ৰতিহত কৰিছিল। সামাজিক মাধ্যমৰ এটা বাৰ্তাত মন্ত্ৰীগৰাকীয়ে কয়, যে সন্ত্ৰাসবাদীৰ কূটাঘাটমূলক কাৰ্যকলাপ তথা শান্তি আৰু সুৰক্ষাৰ প্ৰতি অহা ভাবুকি ভাৰতে যথোচিতভাৱে প্ৰতিহত কৰিব। ড০ জয়শংকৰে লগতে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ভাৰত সন্ত্ৰাসবাদীৰ বিৰুদ্ধে শূন্য সহনশীলতাৰ নীতি অৱলম্বন কৰাত দৃঢ় প্ৰতিশ্ৰুতিবদ্ধ।

ooooo

ভাৰতে আজি কয়, যে সীমান্তৰ সীপাৰৰ পৰা চলোৱা সন্ত্ৰাসবাদী কাৰ্যকলাপৰ বাবে ভাৰতে অপাৰেচন সিন্দূৰৰ জৰিয়তে পাকিস্তানক যথোচিত প্ৰত্যুত্তৰ দিয়ে। নতুন দিল্লীত সংবাদ মাধ্যমৰ আগত বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মুখপাত্ৰ ৰনধিৰ জয়ছোৱালে কয়, যে দীৰ্ঘ দিনৰে পৰাই পাকিস্তানে সামান্তৰ সীপাৰৰ পৰা সন্ত্ৰাসবাদী কাৰ্যকলাপ চলাই আহিছে। তেওঁ কয়, যে ভাৰতৰ এনে ধৰণৰ কাৰ্য প্ৰতিহত কৰাৰ অধিকাৰ আছে আৰু সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজ দিয়াৰ ক্ষেত্ৰত গোলকীয় পৰ্যায়ত সৰলভাৱে নিজৰ স্থিতি অব্যাহত ৰাখিব। অবৈধ বাংলাদেশী প্ৰত্যৰ্পনৰ সন্দৰ্ভত সোধা এটা প্ৰশ্নৰ উত্তৰত শ্ৰী জয়ছোৱালে কয়, যে জাতীয়তা চিনাক্তকৰণৰ দুহেজাৰ ৮৬০ টাৰো অধিক

এনে ধৰণৰ গোচৰ বিচাৰাধীন হৈ আছে। তেওঁ কয়, যে দেশত অবৈধভাৱে থকা যিকোনো বিদেশী নাগৰিকক দেশৰ আইন, পদ্ধতি, ব্যৱস্থা আৰু দ্বিপাক্ষিক বুজাবুজি অনুসৰি ঘূৰাই পঠিয়াব লাগিব।

০০০০০

ভাৰত আৰু ফ্ৰান্সে আজি বিজ্ঞান, প্ৰযুক্তি আৰু মহাকাশ খণ্ডত দ্বিপাক্ষিক সহযোগিতা বৃদ্ধিৰ বাবে পৰ্যালোচনা কৰে। কেন্দ্ৰীয় বিজ্ঞান আৰু প্ৰযুক্তি দপ্তৰৰ মন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙে ভাৰ্চুৱেল ব্যৱস্থাৰে ফ্ৰান্সৰ উচ্চ শিক্ষা গৱেষণা আৰু মহাকাশৰ মন্ত্ৰী ফিলিপ ব্যপ্তিষ্টৰ সৈতে দ্বিপাক্ষিক আলোচনাক মিলিত হয়। ড০ সিঙে ভাৰত আৰু ফ্ৰান্সৰ মাজত দ্বিপাক্ষিক সহযোগিতাৰ ক্ষেত্ৰত বিজ্ঞান আৰু মহাকাশ খণ্ডই এটা সৱল স্তম্ভ হিচাপে পৰিগণিত হৈছে আৰু জনসাধাৰণৰ লগত জনসাধাৰণৰ সম্পৰ্ক আৰু উন্নত প্ৰযুক্তিৰ ক্ষেত্ৰত দুয়োখন দেশে অৱদান আগবঢ়াইছে বুলি প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে কয়, যে ভাৰত-ফ্ৰান্স উদ্ভাৱনৰ ক্ষেত্ৰত ২০২৬ ঘোষণা পত্ৰই এই ক্ষেত্ৰসমূহত সহযোগিতাৰ বাবে এটা উল্লেখযোগ্য সুবিধা প্ৰদান কৰে। ড০ সিঙে লগতে যুটীয়া মহাকাশ অভিযান তথা ভাৰতৰ মহাকাশ গৱেষণা সংস্থা আৰু ফ্ৰান্সৰ মহাকাশ অধ্যয়নৰ ৰাষ্ট্ৰীয় কেন্দ্ৰৰ সৈতে দীৰ্ঘ দিনৰে পৰাই সহযোগিতা অব্যাহত থকাৰ কথা উল্লেখ কৰে। ভাৰতৰ গগণযান অভিযানত ফ্ৰান্সৰ সহযোগিতাৰ বাবে তেওঁ সলাগ লয়। ড০ সিঙে লগতে ভাৰতৰ গভীৰ সামুদ্ৰিক অভিযান আৰু সমুদ্ৰৰ লগত জড়িত বিভিন্ন বিষয় সম্পৰ্কে অৱগত কৰে।

ফ্ৰান্সৰ মন্ত্ৰীগৰাকীয়ে মহাকাশ আৰু গৱেষণাৰ সহযোগিতাৰ ক্ষেত্ৰত ভাৰতক বিশ্বাসযোগ্য সহযোগী হিচাপে অভিহিত কৰে। তেওঁ পৃথিৱীৰ পৰ্যৱেক্ষণ, উৎক্ষেপন ব্যৱস্থা আৰু মহাকাশ অন্বেষণৰ ক্ষেত্ৰত এটা সৱল সহযোগিতা সুদৃঢ় কৰাৰ ক্ষেত্ৰত আগ্ৰহ প্ৰকাশ কৰে। ফ্ৰান্সৰ মন্ত্ৰীগৰাকীয়ে মানৱ মহাকাশ যান বিশেষকৈ প্ৰশিক্ষণ, মধ্যাকৰ্ষণ শক্তিবিহীন পৰীক্ষণ আদিৰ ক্ষেত্ৰত দেশখনে সহযোগিতা আগবঢ়োৱাৰ বাবে সাজু হৈ আছে বুলি প্ৰকাশ কৰে। তেওঁ চলিত বৰ্ষৰ ছেপ্তেম্বৰত পেৰিচত অনুষ্ঠিত হ'বলগীয়া আন্তঃৰাষ্ট্ৰীয় মহাকাশ সন্মিলনত ভাৰতৰ সক্ৰিয় সহযোগিতাৰ বাবে আমন্ত্ৰণ জনায়।

০০০০০

কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয় যে আজি ভাৰত স্থিতিশীলতাৰ এক অটল স্তম্ভ হিচাপে থিয় দিছে, যিয়ে ভাগ-বতৰা কৰা জলসীমাত দ্ৰুত সংকটকালীন সাহায্য আৰু সুৰক্ষাৰ নিশ্চয়তা প্ৰদান কৰিছে। নতুন দিল্লীত অনুষ্ঠিত দশম ভাৰত মহাসাগৰীয় আলোচনাত নিজৰ মন্তব্য প্ৰদান কৰি মন্ত্ৰীগৰাকীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ নেতৃত্বত ভাৰতে সক্ৰিয়ভাৱে এক সুৰক্ষিত, সৰ্বাংগীন আৰু সমৃদ্ধিশালী ভাৰত মহাসাগৰীয় অঞ্চল হিচাবে গঢ় দিছে। মন্ত্ৰীগৰাকীয়ে লগতে কয় যে গ্ল'বেল চাউথৰ বাবে এক স্থিতিস্থাপক আৰু ভৱিষ্যতৰ বাবে প্ৰস্তুত সামুদ্ৰিক পৰিৱেশ গঢ়ি তোলাৰ বাবে ভাৰতে এক অতি গঠনমূলক ইণ্ডিয়ান অ'চেন ৰিম এছ'চিয়েশ্যনৰ অধ্যক্ষ পদৰ বাবে আগ্ৰহ প্ৰকাশ কৰিছে।

০০০০০

বিধানসভাৰ নিৰ্বাচনৰ ফলাফল ঘোষণাৰ পাছত তামিলনাডুত একক সংখ্যাগৰিষ্ঠ দলৰ নেতা টি ভি কে যোচেফ বিজয়ে আজি লোক ভৱনত ৰাজ্যপাল বিশ্বনাথ আৰ্লেকাৰক দ্বিতীয়বাৰৰ বাবে সাক্ষাৎ কৰে। আমাৰ সংবাদদাতাই জানিবলৈ দিয়া অনুসৰি চৰকাৰ গঠনৰ বাবে তেওঁৰ অচলাৱস্থা অব্যাহত আছে। টি ভি কে আৰু বাও দলসমূহে নিজা নিজাকৈ প্ৰয়াস অব্যাহত ৰাখিছে। ভি চি কে আৰু বাও দলসমূহে ডি এম কেৰ মুৰববী এম কে ষ্টেলিনক সাক্ষাৎ কৰি সবিশেষ আলোচনা কৰে। আলোচনাৰ পাছত ভি চি কেৰ মুৰববীগৰাকীয়ে কয়, যে চৰকাৰ গঠনৰ বাবে সদনত সংখ্যাগৰিষ্ঠতা প্ৰমাণৰ বাবে তেওঁলোকে দাবী উত্থাপন কৰিব। তেওঁ লগতে কয়, যে টি ভি কেক সমৰ্থন কৰাৰ সন্দৰ্ভত অচিৰেই সিদ্ধান্ত ল'ব। ইপিনে বিজেপিৰ ৰাজ্যিক মুখপাত্ৰ নাৰায়ণন তিৰুপতীয়ে কয়, যে বিজেপিয়ে ৰাজ্যপালনক কোনো ধৰণৰ হেঁচা প্ৰয়োগ কৰা নাই। সংবাদ মাধ্যমৰ আগত তেওঁ কয়, যে টি ভি কেৰ প্ৰতি জনাদেশ আছে যদিও চৰকাৰ গঠনৰ বাবে তেওঁলোকক আৰু সমৰ্থনৰ প্ৰয়োজন হ'ব। অভিনেতা তথা ৰাজনীতিবিদ কমল হাচানে কয়, যে জনসাধাৰণৰ জনাদেশক কেতিয়াও অসন্মান কৰা উচিত নহয়।

০০০০০

তামিলনাডুত নতুন চৰকাৰ গঠনৰ অচলাৱস্থা অব্যাহত থকাৰ মাজতে ৰাজ্যপাল ৰাজেন্দ্ৰ বিশ্বনাথ আৰ্লেকাৰে টি ভি কেৰ সভাপতি চি যোছেফ বিজয়ক আজি লোক ভৱনলৈ আমন্ত্ৰণ জনায়। লোক ভৱনৰ পৰা জাৰি কৰা এখন বিজ্ঞপ্তি অনুসৰি আলোচনাকালত ৰাজ্যপালগৰাকীয়ে কয়, যে চৰকাৰ গঠনৰ বাবে প্ৰয়োজনীয় আসনৰ  সংখ্যা দলটোৱে দাখিল কৰা নাই।

০০০০০

কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীযুষ গোৱেলৰ নেতৃত্বত আজি নতুন দিল্লীত সমগ্ৰ বিশ্বৰ বজাৰত ভাৰতীয় কৃষি আৰু মৎসজাত সামগ্ৰীৰ বাবে এছ পি এছ  অনুমোদন লাভৰ বাবে এখন ৰোডমেপ প্ৰস্তুত কৰা হয়। এই বৈঠকৰ লক্ষ্য আছিল ৰপ্তানি বৃদ্ধি, কৃষক আৰু মাছমৰীয়াৰ আয় বৃদ্ধি, খাদ্য প্ৰ-সংস্কৰণ উদ্যোগ শক্তিশালী কৰা। সামাজিক মাধ্যম যোগে দিয়া এটা বাৰ্তাত শ্ৰী গোৱালে কয় যে এই আলোচনাত আন্তঃগাঁথনিৰ গুণগত  মানদণ্ড উন্নত কৰা, বহনক্ষমতা, বজাৰৰ সহজলভ্যতা,  প্ৰমাণীকৰণ ব্যৱস্থা শক্তিশালী কৰা, আৰু সকলো অংশীদাৰৰ সমন্বিত প্ৰচেষ্টাৰ জৰিয়তে সামগ্ৰীৰ উচ্চ মূল্য নিৰ্ধাৰণ কৰাৰ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে।

০০০০০

কেন্দ্ৰীয় শ্ৰম আৰু নিয়োগ মন্ত্ৰী ড০ মনসুখ মাণ্ডৱিয়াই আজি নতুন দিল্লীত মৰিচাছৰ বৈদেশিক পৰিক্ৰমা, আঞ্চলিক সংহতি আৰু আন্তঃৰাষ্ট্ৰীয় বাণিজ্য মন্ত্ৰী ধনঞ্জয় ৰামফুলক সাক্ষাৎ কৰে। সামাজিক মাধ্যম যোগে দিয়া এটা বাৰ্তাত ড০ মাণ্ডভিয়াই কয় যে শ্ৰমিকৰ কল্যাণ আৰু নিয়োগৰ বাবে শক্তিশালী ডিজিটেল ৰাজহুৱা আন্তঃগাঁথনি গঢ়ি তোলাৰ বাবে

সহযোগিতা কৰাৰ ওপৰত দুয়োজন নেতাৰ মাজত গুৰুত্বপূৰ্ণ আলোচনা কৰা হয়।তেওঁ লগতে কয় যে ভাৰতৰ ৰাষ্ট্ৰীয় কেৰিয়াৰ সেৱা পৰ্টেলে কৰ্মশক্তিৰ সবলীকৰণৰ বাবে প্ৰযুক্তিক কেনেদৰে ব্যৱহাৰ কৰা উচিত ,সেই বিষয়ত ৰামফুলে বিশেষ আগ্ৰহ প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে যে ভাৰতে বন্ধুত্বপূৰ্ণ ৰাষ্ট্ৰসমূহৰ সৈতে বিশ্ব শ্ৰমিকৰ কল্যাণ, গতিশীলতা আৰু সৰ্বাংগীন সামাজিক সুৰক্ষা শক্তিশালী কৰাৰ বাবে কাম কৰি যাবলৈ প্ৰতিশ্ৰুতিবদ্ধ।

ooooo

বিত্তীয় সেৱাৰ সচিব এম নাগাৰাজুৱে আজি কয়, যে ভাৰতৰ অৰ্থনীতি বৃদ্ধি হৈ আছে আৰু বিভিন্ন প্ৰত্যাহ্বানৰ মাজতো বেংকিং খণ্ড সুস্থিৰ হৈ আছে। মুম্বাইত আজি ভাৰতীয় বেংক সংস্থাৰ সন্মিলন সম্বোধন কৰি তেওঁ এই কথা উল্লেখ কৰে। ভূ-ৰাজনৈতিক সংঘাত, গোলকীয় শুল্কৰ সমস্যাসমূহ আৰু আন্তঃৰাষ্ট্ৰীয় প্ৰত্যাহ্বানসমূহৰ মাজতো ভাৰতীয় অৰ্থনীতি শক্তিশালী হৈ আছে। বৰ্তমান বৃদ্ধি পোৱা চাইবাৰ অপৰাধসমূহৰ বিৰুদ্ধে গ্ৰাহকসকলক সুৰক্ষা দিয়াৰ ওপৰত গুৰুত্ব আৰোপ কৰি তেওঁ কয়, যে বেংকসমূহে বিশেষকৈ ক্ষুদ্ৰ ব্যৱসায়ী, জ্যেষ্ঠ নাগৰিক আৰু প্ৰথমবাৰৰ বাবে ডিজিটেল ব্যৱহাৰকাৰীসকলক পৰ্যাপ্ত সুৰক্ষা দিয়াত নিশ্চিতি প্ৰদান কৰিব লাগিব।

ooooo

নিৰ্বাচন আয়োগে অলপতে নিৰ্বাচন অনুষ্ঠিত হোৱা চাৰিখন ৰাজ্য আৰু এখন কেন্দ্ৰীয় শাসিত অঞ্চলৰ পৰা এহেজাৰ ৪০০ কোটিৰে অধিক টকা বাজেয়াপ্ত কৰে। ২০২১ চনৰ নিৰ্বাচনৰ তুলনাত ইয়াৰ বৃদ্ধি ৪০ শতাংশ হৈছে। আয়োগে জানিবলৈ দিছে যে পশ্চিমবংগত সৰ্বাধিক ৬৯ শতাংশ ধন বাজেয়াপ্ত কৰাৰ বিপৰতে তামিলনাডুত ৪৮ শতাংশ বাজেয়াপ্ত কৰা হয়।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি লক্ষ্ণৌৰ অটল বিহাৰী বাজপেয়ী একানা ক্ৰিকেট ষ্টেডিয়ামত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ্‌ ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৱে টছ্‌ত জিকি প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ooooo

ঃঃ সমাপ্ত ঃঃ